DHSK College
Dibrugarh, Assam

# LIVILENCE

The mix of eerie calmness and nostalgia experienced when returning to the home one grew up in long after moving away

## A Memoir on the bygone days of Prof. Kumkum Chakraborty

Date : 10-3-1993 to 31-7-2022

## মোৰ অনুভৱত অধ্যাপিকা কুমকুম চক্ৰৱৰ্তী

কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া
অধ্যক্ষ, ডি.হ.সু.কানৈ কলেজ

জীৱনৰ অভিজ্ঞতাৰ পৰা দেখিছোঁ বহুতে দায়িত্ব অৰ্পণ কৰাৰ পিছত দায়িত্বটো কেনেকৈ পালন কৰিব লাগে সেই বিষয়ে কাৰো স'তে আলোচনা নকৰে। সকলো যেন জানে, তেওঁতকৈ জনা মানুহ আৰু দ্বিতীয় এজন নাই। আনৰ পৰা শিকিব নোখোজে। দায়িত্ব লাভ কৰাৰ পিছত নোৱাৰিম, নহ'ব শব্দবোৰে কিছুমান মানুহক ভাৱাক্ৰান্ত কৰি তোলে। কিন্তু কুমকুম চক্ৰৱৰ্তী ইয়াৰ বিপৰীত আছিল। দায়িত্ব এটা অৰ্পণ কৰাৰ পিছত কেনেকৈ সেই দায়িত্ব সুচাৰু ৰূপে পালন কৰিব পাৰি, গুৰুত্ব উপলব্ধি কৰিব পাৰি, সেই বিষয়ে বাৰে বাৰে জানি বুজি লৈছিল, শিকিবলৈ চেষ্টা কৰিছিল। শিকিবলৈ চেষ্টা কৰাৰ বাবে প্ৰতিটো দায়িত্ব এনেদৰে পালন কৰিছিল যে কোনো দিনেই কামত ত্ৰুটি বিচ্যুতি হোৱা

*Contd. to P. 2*

## Di's life at a glance

It was a fine sunny morning in Kolkata, "are you an Indian??" an Englishman's sudden intervention stopped Hiranmoy Chakraborty. It was 1939, Calcutta during British Raj, and a sight of an Englishman was a commonality for everyone in Calcutta. That was Hiranmoy Chakraborty, the reason behind Kumkum's Life's connection to Assam; he was Prof Kumkum Chakraborty's uncle from her father's side. "My uncle not only had a very fair complexion but also he could speak English like an Englishman and that is why the English gentleman confused him to be an Englishman" - Kumkum quotes. He was the first one in the family who decided to come to Assam after he was offered a job in IOCL, Digboi by the English gentleman- and after him Kukum Chakraborty's father Kiranmoy Chakraborty and their family's shifted to Assam to work in IOCL, Digboi. Kumkum was the first child of the family of Five siblings.

*Contd. to P. 3*



দেখা নাছিলো। অধ্যাপিকা কুম কুম চক্ৰৱৰ্তীক এবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ নিৰীক্ষকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবে শ্ৰেষ্ঠ নিৰীক্ষকৰ সন্মান দিয়া কথাটো মনত পৰে। নিৰীক্ষকৰ দায়িত্বৰ পৰা পৰীক্ষা পৰিচালনা কৰালৈকে সকলোতে দেখা পাইছিলো মনৰ শৃংখলাবদ্ধতা। শৃংখলাৰ অভাৱত মানুহ সফল হ'ব নোৱাৰে। কুমকুম চক্ৰৱৰ্তী আচলতে এগৰাকী অতি শৃংখলা পৰায়ণ অধ্যাপিকা আছিল। প্ৰতিটো কাম-কাজতে খুব সতৰ্ক হৈ কাম কৰিছিল। কুমকুম চক্ৰৱৰ্তী এগৰাকী যে শ্ৰেষ্ঠ, আদৰ্শ অধ্যাপিকা আছিল সেয়া সকলোৱে উপলব্ধি কৰে। কোনো কথাতে কাকোৱে মনত দুখ দিয়া দেখা নাছিলো। কুমকুম চক্ৰৱৰ্তী এগৰাকী সকলোৰে অন্তৰ জয়ী কৰিব পৰা, অন্তৰত থিতাপি লোৱা অধ্যাপিকা আছিল। সকলোৰে মৰম ভালপোৱা তেওঁ আদায় কৰিব জানিছিল। কাকো কোনো দিনে টান কথা, কঠোৰ বাক্য ব্যৱহাৰ কৰা বুলি কাৰো মুখত শুনা নাছিলো। সকলোৰে মুখত কুমকুম চক্ৰৱৰ্তীৰ কেৱল প্ৰশংসা। মানুহক প্ৰশংসা কৰিব জানিছিল বাবেই কুমকুম চক্ৰৱৰ্তীয়েও সকলো মানুহৰ পৰাই প্ৰশংসা আদায় কৰিছিল।



কুমকুম চক্ৰৱৰ্তীয়ে মানুহক প্ৰয়োজনতকৈ বেছিকৈ প্ৰশংসা কৰে। আনৰ ভাল দেখিলে, সমাজৰ ভাল দেখিলে আনন্দিত হয়। মানুহক প্ৰশংসা কৰিব জনাৰ বাবেই কুমকুম চক্ৰৱৰ্তীৰ কাৰো স'তে মতৰ অমিল নাছিল। কোনোবাই কিবা ক'লে সহজে গ্ৰহণ কৰিছিল। প্ৰকৃততে কুমকুম চক্ৰৱৰ্তীয়ে যেনেদৰে উচ্চ শিক্ষা লাভ কৰি প্ৰকৃত এখন প্ৰমাণ পত্ৰ লাভ কৰিছিল, সেই একেদৰে তেওঁ জীৱন শিক্ষাৰে শিক্ষিত হৈছিল। সমাজত দেখা যায় বহু মানুহ উচ্চ ডিগ্ৰী, শিক্ষা ল'লেও প্ৰকৃত শিক্ষা আহৰণ কৰিব নোৱাৰে। এজন উচ্চ শিক্ষিত জ্ঞানী ব্যক্তি হিচাপে কথাই, কামে, আচৰণে ফুটাই তুলিব নোৱাৰে। এই ধৰা, কথাই কথাই আনৰ ভাল চিন্তা আৰু ভাল কৰ্মক বাধা দিয়া, কথাই কথাই আনৰ মতক প্ৰতিবাদ কৰা, গ্ৰহণ নকৰা এচাম মানুহ সমাজত থাকেই। কিন্তু কুমকুম চক্ৰৱৰ্তীয়ে যেনেদৰে উচ্চ শিক্ষা ল'লে, তেনেদৰে আনকো সেই শিক্ষাৰ উদাহৰণ দেখুৱাব পাৰিছিল। শিক্ষাৰ মূল উদ্দেশ্য কি, লক্ষ্য কি, সেয়া জানিবলৈ হ'লে অধ্যাপিকা কুমকুম চক্ৰৱৰ্তীৰ পৰা আহৰণ কৰিব পাৰে। দৰাচলতে কুমকুম চক্ৰৱৰ্তী এগৰাকী সঁচা অৰ্থত উচ্চ শিক্ষাৰে শিক্ষিত, জ্ঞানৱান আৰু প্ৰজ্ঞাৰ সাধক। সেয়ে হয়তো কুমকুম চক্ৰৱৰ্তীৰ শত্ৰু কম, বেয়া পোৱা মানুহৰ সংখ্যা কম। মোৰ দৃষ্টিত নাই বুলিবই পাৰি।

কুমকুম চক্ৰৱৰ্তীয়ে কানৈ মহাবিদ্যালয়ৰ পৰা অৱসৰ পাব, সকলোৰে হৃদয়ত মৰম-ভালপোৱাৰ ছবি আঁকি চাকৰিৰ পৰা অৱসৰ ল'ব, সেই কথা ভাবিলেই অধ্যক্ষ হিচাপে অন্তৰত এক অবুজ বেদনাই হেঁচা মাৰি ধৰে। অৱসৰৰ পিছত তেওঁৰ মাতৃ গৃহ কলকাতালৈ যাবগৈ। সেই কথা ভাবিলেও অবুজ বেদনাই জুমুৰি দি ধৰে। বোধকৰো তেওঁ কানৈ মহাবিদ্যালয়ৰ পৰা অৱসৰ লৈ বাকীছোৱা জীৱন মাতৃৰ কাষতে কলকাতাতে পাৰ কৰিব। সহজে হয়তো অসমলৈ আহিব সেয়াও সম্ভৱ নহয়। অসমৰ বতাহ-পানী-বায়ুয়ে জীৱন ধন্য কৰা কুমকুম চক্ৰৱৰ্তী সঁচা অৰ্থত এগৰাকী মানৰ দৰদী অধ্যাপিকা আছিল। তেওঁ অৱসৰৰ এই দিনটো অধ্যক্ষ হিচাপে অনাগত দিনবোৰৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিলোঁ। আশা কৰোঁ, জীৱনৰ বাকীছোৱা সময় সকলোৰে মাজত একেদৰে বুকুৰ আপোন হৈ দিনবোৰ অতিক্ৰম কৰিব। মানুহৰ হৃদয়ত ঠাই পাব, কেৱল মৰম ভালপোৱাই তেওঁৰ জীৱন উজ্বলাই তুলিব।

She started her student's life from AOC Girls High School, Digboi and went to Vivekananda Vidyalay to complete her Higher Secondary Course. After completion she decided to pursue her Bachelors Degree from Kolkata and accordingly she completed her graduation with Honours in Bengali from Jogmaya Devi (Ashutosh College), Calcutta. Kumkum's keen interest in Bangla Literature drew her to pursue Masters Degree in Bengali from Jadavapur University. She had deep longing to become a teacher and hence she didn't stop herself from taking the B.Ed degree from Institute of Women Education, Hasting House Calcutta. In 1988 the family permanently shifted to Calcutta as her father retired and since then they are living in their ancestral house. Due to her prolonged association with her school friends in Digboi, Kumkum however made it a point to visit them from time to time and during one such visit one of her close friend Dr. Itu Das handed over some paper cuttings of the advertisement of vacant post for Asst professors in different colleges of Assam. And she didn't know that her future was already imprinted in one of those paper cuttings. On 10th March 1993 she was appointed as an Assistant Professor in the Dept of Bengali, DHSK College, Dibrugarh. Her Destiny brought her to this beautiful town by the bank of the mighty Brahmaputra, a place she stepped in for the first time in her life and she didn't know that she will spend her hay days in this city of rain and cloud.

As a professional Kumkum created a place of her own as one of the most disciplined, punctual and sincere teachers till her last working day. With her neatly worn cotton saree, she stood as the embodiment of kindness, affection and compassion. We all waited eagerly to receive the tiny little gifts of love - thin long ball pens she brought for everyone from Kolkata after every vacation (that I gleefully compare with her tall thin figure), sweets and churanas. She was very particular in distributing her giveaways personally. Among the students she was most popular as a kindhearted teacher, she recalls - "I was truly surprised when Ex students from different streams and subjects come forward to meet me, and wish me, whenever I met them in public places. I was surprised because I thought I am not known to students of other subjects than Bengali, because the subject Bengali was only for a restricted few!!" Kumkum's sincerity soon noticed by all. In the year 2018, she was selected as the Best Invigilator among 101 invigilators of HS Examination, in Dibrugarh. She was a great organiser and leader and that was well understood in her smooth running of the departmental affairs as the HOD from 1994 to 2012 till her day of retirement and again from 2015 to 2018, and finally from 2021 to her day of retirement- the highest period of headship in the college. However her only regret is her inability to teach Bengali Honours Course, though she takes a feather in her crown for starting Honours Course just few days before her retirement. Nonetheless she will occupy a special place in everyone's heart and her superannuation on 31/7/22 is just an announce an official retirement from her professional life alone. She will be remembered by us all as a sincere teacher, a great friend and a humble colleague. Kumkum you have a secure place in our heart.

*Dr. Trishna Duarah (details collected from Prof. Kumkum Chakraborty)*



জয় আই অসম

**সদৌ অসম বাঙালী যুৱ-ছাত্র ফেডাৰেচন**
**সারা আসাম বাঙালী যুব-ছাত্র ফেডারেশন**
**ALL ASSAM BENGALI YOUTH-STUDENTS' FEDERATION**

CENTRAL COMMITTEE
H.O.: Borthakur Mill Road, Bye Lane -7, House No. 55, Ghy – 07

*President*
Shri Dipak Dey
Lanka, Nagaon

*Working President*
Shri Nirmal Kanti Seal (Devraj)
Dr. K. P. Basu's Road (Viraj), Dibrugarh

Ref. No.: AABYSF C.C./104/2022.    Date: 22/7/2022

## শুভেচ্ছা বাৰ্ত্তা

ডিব্রুগড় হনুমান বক্স সুবজমল কানৈ মহাবিদ্যালয়ৰ বাংলা বিভাগৰ এগৰাকী জনপ্রিয় অধ্যাপিকা কুমকুম চক্রবর্ত্তীৰ অবসৰ গ্রহণৰ প্রাক্‌ক্ষণত তেখেতৰ উজ্জ্বল কর্মজীৱনৰ স্বীকৃতি তথা ডিব্রুগড়ৰ শৈক্ষিক জগতত নিস্বার্থ সেৱাৰ মনোভাৱেৰে আগবঢ়োৱা তেখেতৰ অসামান্য অৱদানৰ বাবে তেখেতৰ প্রতি কৃতজ্ঞতা জ্ঞাপনৰ উদ্দেশ্যে শিক্ষাব্রতী গৰাকীৰ সংক্ষিপ্ত জীৱনী গ্রন্থ এখন প্রনয়ন কৰিবলৈ মহাবিদ্যালয় কর্তৃপক্ষই ছাত্র একতা সভা, সদৌ ডিব্রুগড় ছাত্র সন্থা, সদৌ অসম বাঙালি যুৱ ছাত্র ফেডাৰেশ্যন আৰু নিখিল ভাৰত বঙ্গ সাহিত্য সম্মোলনৰ যৌথ উদ্যোগত যি অভিনৱ প্রয়াস গ্রহণ কৰিছে ই সঁচাকৈয়ে শলাগিবলগীয়া।

সুদুৰ পশ্চিম বঙ্গৰ পৰা  আহি ডিব্রুগড় চহৰৰ তথা অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান ডি.এইচ্, এছ, কে, মহাবিদ্যালয়ত শিক্ষাদানৰ মহান আদর্শৰে উদ্ধুদ্ধ হৈ শ্রদ্ধেয়া অধ্যাপিকা কুমকুম চক্রবর্ত্তীয়ে সুদীর্ঘ কর্মজীৱনত অসংখ্য ছাত্র-ছাত্রীক ক্ষেত্রখনক চহকী কৰি গ'ল তাক সদৌ অসম বাঙালী যুৱ-ছাত্র ফেডাৰেশ্যনে অতি কৃতজ্ঞতাৰে সোঁৱৰিছে। অৱসৰ জীৱনতো শ্রদ্ধেয়া চক্রবর্ত্তী বাইদেউৰ জ্ঞানৰ পোহৰে সমাজ আৰু দেশক উদ্ভাসিত কৰক, তাকেই কামনা  কৰিছো আৰু মঙ্গলময়ৰ ওচৰত তেখেতৰ সু-স্বাস্থ্য আৰু সুদীর্ঘ সুখময় জীৱনৰ বাবে প্রার্থনা জনাইছো।

নিৰ্মল কান্তি শীল
22/7/2022

**নিৰ্মল কান্তি শীল**
**কাৰ্যকৰী সভাপতি**
কেন্দ্ৰীয় সমিতি
সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচন

সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচন
কেন্দ্ৰীয় সমিতি
তাং 22/7/2022

*সুদীর্ঘ অধ্যাপনাৰ কার্যকাল সফলতাৰে সম্পন্ন কৰি কুমকুম চক্রৱর্তী আমাৰ মাজৰ পৰা বিদায় লোৱাৰ ক্ষণত উপনিত হৈছেহি। একেলগে কাম কৰাৰ বহু স্মৃতি মনৰ মাজত সজীৱ হৈ আছে। এতি অমায়িক স্বভাৱৰ তেখেত এগৰাকী ভদ্র মহিলা। বিদায় সম্বর্ধনা উপলক্ষত তেখেতলৈ মোৰ আন্তৰিক শ্রদ্ধা জ্ঞাপন কৰিলোঁ।*

*ড° প্রিয়দেৱ গোস্বামী*
*উপাধ্যক্ষ, ডি.হ.সু কানৈ কলেজ*



*অমায়িক, অল্পভাষী, সকলোৰে প্রতি সম ব্যৱহাৰ কৰা বাংলা বিভাগৰ অধ্যাপিকা কুমকুম বাইদেউৰ আনুষ্ঠানিক অৱসৰে আমাৰ মন সেমেকাই তুলিছে। বিদায় ক্ষণত আপোনালৈ যাচিছো হিয়াভৰা শুভেচ্ছা। অৱসৰী জীৱন নতুন উদ্যমেৰে নিজৰ লগতে সমাজৰ বাবে কাম কৰি উজ্বলি উঠক। এয়ে আমাৰ কামনা। কলেজৰ প্রতিটো দীঘলীয়া বন্ধ খোলাৰ পিছত আপুনি দিয়া মিঠাই আৰু উপহাৰলৈ মনত পৰিব। পুনৰবাৰ অৱসৰী জীৱনলৈ শুভকামনা জনালো।*

*ড° অনন্ত কুমাৰ দত্ত*
*শৈক্ষিক সমন্বয়ক, ডি.হ.সু কানৈ কলেজ*

*Congratulations on your retirement. I wish you good health, delight and sucess as you move forward in life .Thank you for being an amazing colleague and even better senior.*

*From - Aditya Dahal*

আপোনাক পাইছিলো [illegible] হৈছেঁ।
কুশলে থাকিব।
প্ৰফুল্ল শৰ্মা
২৫-৭-২০২২



# CHIT-CHAT WITH KUMKUM

***Dr. Trishna Duarah :*** Why you have decided to come so far away from your hometown Calcutta to work in Assam and in DHSK College?

***Prof. Kumkum Chakraborty :*** After my father's retirement , my whole family shifted to Kolkata and I and my sister were already studying in Kolkata and hence I wanted to stay in Kolkata only. But when I was selected for the post in DHSK College, once I have joined, I got involved with everything so deeply, without my knowledge that I couldn't ever think of leaving this place.

**TD:** what was your first experience in this college when you joined?

***KC:*** To be honest I was very perplexed to see the worn out condition of the college when I first came here for my interview . The huge building with big campus but not well looked after at all. I came with my brother and met Principal Sir and I was more depressed when he informed us -"in Bengali department "আমাৰ এজন শিক্ষক ঢুকাইছে"। "ঢুকাইছে" sounded similar like "ঢোকানো হয়েছে" in Bengali. I was depressed to think that someone already was appointed in the post. Later on the true meaning of the word was explained by my brother. I still cherish this memory.

***TD:*** What is your best memory??

**KC:** First of all, my best memory is my associations with students always. They made my life meaningful. Secondly the immense love and beautiful time I spent with my colleagues will always keep me alive. And lastly I will never be able to forget the help and support I received from our Principal Dr. Sashi Kanta Saikia. During both my elder and younger brothers death within a span of two months , the way he gave me moral support and helped me is one of the best memories I will carry with me forever.

***TD:*** You received the Best Invigilator's Award in the year 2018. What is your feeling about this and what is your message as the Best Invigilator?

***KC:*** I never even imagined that I will ever receive such an award and to be honest I was not even aware there is an award like this as well. So first of all I was very surprised when I got the news. But to be frank I was really happy to realise that at least i have received the reward of my sincerity….. it was a kind of acknowledgment .. I feel. But I never worked for an award. As an Invigilator my wholehearted effort was to offer the best possible environment and service to the examinees. The students are under tremendous pressure to write answers of selected questions within stipulated time … I just took care that they get a proper environment in the examination hall. I usually avoided chatting with fellow invigilators unless there's is a necessity and refrained from using mobile phones.

***TD:*** What is your feeling about the day of retirement?

***KC :*** I was always ready and consciously calculated the number of years , months and finally number of days left for retirement. It will be a painful parting but I am overwhelmed to receive such honour, such warmth from each one of you. I still consider and I know that I will remain a part of you.

# Best wishes to Kumkum

শুভকামনা [illegible]

[illegible]

28/9/2022

Best wishes to
Kumkum baideu.

Mauchumi
Deptt. of Philosophy.
25-07-2022.

কুমকুম বাইদেউ,
আপোনাৰ অৱসৰোত্তৰ
জীৱনৰ প্ৰতি সুস্থ, সুন্দৰ,
সুদীৰ্ঘ [illegible]
কামনা কৰিলো।

ড° নিৰ্মালী [illegible]
ৰাজনীতি বিভাগ
ডি: হ: সু: কনৈ কলেজ
26/9/2022

Wishing you all the best of health and happiness on your retirement. Enjoy rest and relaxation with your friends and family.

20/07/2022
(Aditi Kanwar Gogoi)

Respected Kumkum Baideu
Wish you good health and a happy life ahead. We'll miss your company.

Biraj Dutta
Dept. of Pol Science
DHSK College

Kumkum baideo
You have spent years in this institution and you have been greatly appreciated for your dedication and sincerity. Wishing you my very best for the next chapter of your life

Meetali Chaliha
25/7/22.

অভিনন্দন "কুমকুম বা"
আপোনালৈ হিয়াভৰা মৰম
থাকক শুভেচ্ছাৰে

নিতুমণি
28/09/2022

Best Wishes to
you Kumkum
Ba. I wish
you a happy
life ahead.

Sunanda Sahu
Deptt. of Anthropology
25/7/2022

Dear Madam,
Your sincerity and commitment to our institution will remain as an example for generations to come. Warmth and wishes for your life ahead. We wish that you may carry on with your goodwill.

20/7/2022
(Dulu Mariam Borgohain)

## কুমকুম চক্ৰৱৰ্ত্তী আৰু মোৰ ব্যক্তিগত অনুভৱ

**— কল্পনা বুজৰ বৰুৱা**

মোৰ সান্নিধ্যলৈ অহা এগৰাকী ব্যক্তিৰ বিষয়ে দুআষাৰমান ব্যক্ত কৰিবলৈ বিচাৰিছোঁ। সেই ব্যক্তিগৰাকী হৈছে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ এগৰাকী দায়িত্বশীল অধ্যাপিকা কুমকুম চক্ৰৱৰ্ত্তী। নবৈৰ দশকতে খলিহামাহিস্থিত কৰ্মী মহিলা নিৱাসৰ নিৱাসী হিচাপে তেখেতক লগ পাইছিলোঁ। কলিকতাৰ বেহালাৰ পৰা অসমলৈ চাকৰি সূত্ৰে অহা অৰশ্যে সৰুৰে পৰা দেউতাকৰ চাকৰি সূত্ৰে ডিগবৈত থাকি স্কুলীয়া জীৱন কটোৱা, গতিকে অসমৰ প্ৰতি থকা আন্তৰিকতাই বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি পুনৰ অসমলৈ প্ৰত্যাৱৰ্তন। যি কি নহওক প্ৰথম অৱস্থাত প্ৰসিদ্ধ কানৈ মহাবিদ্যালয়ত অধ্যাপিকাৰ চাকৰিত যোগদান কৰি কলেজৰে ছোৱালী হোষ্টেলত থাকিবলৈ লয় যদিও পিছত খলিহামাৰীৰ কৰ্মী মহিলা নিৱাসলৈ গৈ বৰ্তমানলৈকে উক্ত নিৱাসতে আছে। এই কৰ্মী মহিলা নিৱাসত তেখেতক মই খুও ওচৰৰ পৰা পাওঁ। দহ বছৰ কাল একেটা কোঠাতে থাকি তেখেতৰ সান্নিধ্য লাভ কৰোঁ। মৃদুভাষী, অমায়িক আৰু দায়িত্বশীল এগৰাকী ব্যক্তি। প্ৰতিটো কামতে নিজৰ দক্ষতা আৰু নিপুণতাৰ প্ৰকাশ। এইগৰাকী ব্যক্তিৰ সান্নিধ্য লাভ কৰি বহুতো কথা জানিব পাৰিছোঁ। আৰু তেখেতৰ লগত যি এটা সম্পৰ্ক গঢ়ি উঠিছে আশা কৰোঁ ভৱিষ্যতলৈকেও এই সম্পৰ্ক অটুত থাকিব। তেখেতৰ সু-স্বাস্থ্য কামনা কৰিলোঁ আৰু নতুন উদ্যমৰে তেখেতৰ সাহিত্য-সংস্কৃতিৰ দিশটো আৰু আগুৱাই যোৱাটো কামনা কৰিলোঁ।





## কুমকুম দিদিলৈ

**— ৰমাকান্তি দাস**
**অধ্যাপিকা, দৰ্শন বিভাগ**
**— অনন্ত টেৰণ**
**অধ্যাপক, অসমীয়া বিভাগ**

বহুত দিন একেলগে পাৰ কৰিলোঁ, বহুত স্মৃতি আছে। কৰ্মী মহিলাবাসত আৰু মহাবিদ্যালয়ত কটোৱা সময়বোৰে বহুত আমনি কৰিব। এতিয়া বিদায় পৰত ক'বলৈ একো ভাষা নাই। মাথোঁ বহুত বহুত শুভেচ্ছা থাকিল। তোমাৰ অনাগত দিনলৈ, তোমাৰ অৱসৰ জীৱন সুখৰ হওক, শান্তিৰে ভৰি পৰক।

## কুমকুম 'ডি'

**— শিখামণি কোঁচ দেউৰী**
**অধ্যাপিকা, অসমীয়া বিভাগ**

'বাংলা বিভাগৰ সহযোগী অধ্যাপিকা, কুমকুম চক্ৰৱৰ্তী বাইদেউ। মই পিছে বাইদেউক 'কুমকুম ডি' বুলিহে মাতিছিলোঁ। কিছুমান মানুহক লগপোৱা কাৰ্যকালত বহু তিতা-মিঠা স্মৃতি থাকে। কিন্তু বাইদেউৰ লগত মোৰ কেৱল মিঠা স্মৃতিয়েই পৰিপূৰ্ণ। বাইদেউ স্বভাৱত এগৰাকী শান্ত, সমাহিত, নিৰ্জু আৰু অত্যন্ত ভদ্ৰ মহিলা তথা অধ্যাপিকা। কোনোদিন খং উঠা দেখাৰ কথা মোৰ মনত নপৰে। যি নহওক, বাইদেউৰ গুণৰ কথা কৈ থাৰিলে হয়তো শেষ নহ'ব। বাইদেউৰ বেগৰ ভিতৰৰ পৰা বাইদেৱে সযতনে উলিয়াই হাতত গুজি দিয়া সুদূৰ কলিকতাৰ পৰা লৈ অনা আমলখি, আম, আদা আৰু বিবিধ ধৰণৰ কত যে কি খালোঁ! হিচাপ নাই। কলেজৰ দীঘলীয়া বন্ধত ঘৰৰ পৰা অনা সু-স্বাদু মিঠাইৰ মোৰ দৰে কলেজৰ আৰু বহুতেই হয়তো সোৱাদ লোৱাৰ সুযোগ পাইছিল।

আছে আৰু বহু কথা যিখিনি মোৰ মাজতে থাকক। মনৰ মাজত থকা সেই কথাবোৰৰ মাজতে বাইদেউক সদায় কাষত থকাৰ দৰে অনুভৱ কৰিম। 'ডি' আপুনি সদায় সুস্থ সবল হৈ থাকি আপোনাৰ দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰি আপোনাৰ জীৱন ধন্য কৰক। ভগৱানৰ ওচৰত মই ইয়াকে কামনা কৰিলোঁ।

কুমকুম বা,

তোমাৰ অনাগত দিনবোৰৰ বাবে ইয়াৰ দ্বাৰাই শুভ কামনা জনালো। তোমাৰ কাম বহুত বাঢ়ি গ'ল। ফুৰ্তিত থাকিবা, মনৰ পছন্দৰ কাম কৰিবা, কিতাপ পঢ়িবা, বন্ধু-বান্ধৱীৰ লগত কথা পাতিবা, আমালৈ মনত পেলাবা আৰু পছন্দৰ খানা বনাবা। মোৰ বেয়া লাগিছে এইবাবেই যে মোক 'অলকানন্দা' বুলি মাত দিয়া মানুহ কলেজত আৰু নোহোৱা হ'ল। তোমাৰ মৰমবোৰ সোঁৱৰণী হৈ থাকিব।

— অলকানন্দা বৰুৱা
উদ্ভিদ বিজ্ঞান বিভাগ

*"শিক্ষক আৰু পথ দুয়ো একে নিজে একে ঠাইতে থাকি আনক নিজৰ লক্ষ্যত উপনিত হোৱাত সহায় কৰে"*

— ডিব্ৰুগড় হনুমানবক্স সুৰজমাল কানৈ মহাবিদ্যালয়ৰ মৰমিয়াল শিক্ষাগুৰু আছিল কুমকুম বাইদেউ। কিন্তু অতি দুখ লগা বিষয় যে সময়ৰ গতিশীলতাৰ লগত মাপ সুৰাই চলিবলৈ গৈ আমি আজি তেওঁক বিদায় দিব লাগিব। তেওঁ এই মহাবিদ্যালয়ত থাকি মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰী সকলক শিক্ষাদান কৰি যি এক উপকাৰ সাধন কৰিলে তাৰ বাবে আমি তেওঁৰ ওচৰত চিৰকৃতজ্ঞ । আনুষ্ঠানিকতা ৰক্ষা কৰি আজি যদিও আমি তেওঁক বিদায় দিছোঁ তথাপিও তেওঁ আৰু লগতে তেওঁৰ এই মহাবিদ্যালয়খনলৈ আগবঢ়োৱা অমূল্য অৱদানসমূহ আমাৰ সকলোৰে স্মৃতিৰ মনিকোঠাত সদায় সজীৱ হৈ ৰব ।

শেষত তেখেত যাতে সুস্বাস্থ্যবান হওঁক লগতে দীৰ্ঘায়ু অধিকাৰী হওঁক তাৰে কামনাৰে ।

ডি.হ.সু.কানৈ কলেজ, ছাত্ৰ একতা সভাৰ হৈ
— কাব্যজ্যোতি সোণোৱাল

## শ্ৰদ্ধাৰ কুমকুম চক্ৰৱৰ্তী বাইদেউৰ সানিধ্যৰ ৰোমন্থন

— হীৰামণি লালুং,
অধ্যাপিকা, দৰ্শন বিভাগ

জীৱনৰ বাটত আমি বাটকুৰি বাই যাওঁতে বহুজনৰ সান্নিধ্যলৈ আহোঁ। সেই বাটত কিছুমান মানুহৰ সান্নিধ্যই জীৱনটোত সেই সময়ৰ পলবোৰক পাহৰিব নোৱৰাকৈ সাঁচ বহুৱাই লৈ যায়। ২০০৭ চনত মহাবিদ্যালয়লৈ আহি যোগদান কৰি বিভাগৰ মুৰব্বী ৰমাকান্তি বাইদেউক লগ কৰোঁতে বাইদেউৱে মোক ডিব্ৰুগড়ত ঠিকনা নথকা বুলি জানি কুমকুম চক্ৰৱৰ্তী বাইদেউক লগ কৰাই দিছিল। দেখাত গুৰু-গম্ভীৰ, মৰমীয়াল চকুযুৰীয়ে কুমকুম বাইদেউৱে সেইদিনা মোক আঙুলিত ধৰি নিজৰ সৰু ভন্টীক বাট দেখুৱাই নিয়াৰ দৰে খলিহামাৰীৰ ৱৰ্কিং ওমেন হোষ্টেলত থাকিবলৈ সুবিধা কৰি দিছিল। কুমকুম বাইদেউৱে সেইদিনাৰ পৰা মোৰ সম্পূৰ্ণ অভিভাৱকৰ দায়িত্বৰ বোজা বহন কৰি বায়েকৰ মৰমেৰে আৱৰি ৰাখিছিল। ৱৰ্কিং ওমেন হোষ্টেলত থাকোঁতে মহাবিদ্যালয়লৈ একেলগে অহা, ডিব্ৰুগড়ৰ বাটে-পথে ঘূৰি ফুৰা, বজাৰ-সমাৰ কৰা, মোৰ অভাৱ-অনাটন দূৰ কৰা, সন্ধিয়া হোষ্টেলৰ ৰুমত বাৰ্তালাপ কৰা আৰু যে ক'ত কি! কুমকুম বাইদেউৰ লগত অতিবাহিত কৰা সেই মধুৰ সময়বোৰ মোৰ জীৱনৰ গুৰুত্বপূৰ্ণ সময় বুলি মই মনত ৰাখিম। সকলোকে মৰমেৰে অতি আপোন ভাৱেৰে লোৱা, জটিলতাৰ পৃথিৱী বেয়া পোৱা কুমকুম বাইদেউৰ কথা কৈ শেষ কৰিব নোৱাৰিম।

সময়ৰ সোঁতৰ আওঁতাত কুমকুম বাইদেউৰ অৱসৰ ল'ব বুলি জানি সঁচাকৈয়ে বৰ বেয়া লাগিছে। শেষত কুমকুম বাইদেউৰ চৰণ স্পৰ্শ কৰি আমাৰ মাজত থকা স্নেহৰ সূতাডাল সযতনে ৰাখিবলৈ প্ৰতিশ্ৰুতি দি কুমকুম বাইদেউৰ সু-স্বাস্থ্য, এক দীৰ্ঘায়ু জীৱনৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ।

## About Kumkum madam -few lines

***– Krishna Kanta Bordoloi***
Deptt. of Hindi

Kumkum Didi as like my elder sister. I like her honesty, sincerety and punctuality. I always remembering her. God bless her.

## 'ভরা থাক স্মৃতিসুধায় বিদায়ের পাত্রখানি

— ড° রীতা পোদ্দার
অধ্যাপিকা, বাংলা বিভাগ

স্মৃতি পাতা থেকেই লিখতে বসেছি, সালটা ছিল ১৯৯৫, মাসটা মনে নেই। তবে কোন এক গ্রীষ্মের সকাল। তখন সকাল ৯ টা হবে হয়ত। দুরুদুরু বুকে ডিব্রুগড়ের কানৈ কলেজে এসেছি চাকরির ইন্টারভিউ দিতে। সম্পূর্ণ অচেনা, অজানা পরিবেশ। বিশাল কলেজ ক্যাম্পাস আমার ভয়টা আরও বাড়িয়ে দিয়েছিল। ইন্টারভিউতে ডাকের আশঙ্কায় বাইরে অপেক্ষা করছি, এমন সময় একজন শাড়ি পরিহিতা শান্ত সৌম্য ভদ্রমহিলা এসে প্রবেশ করলেন, আমার বন্ধুটি বলল, "কী ধুনিয়া কটনর শাড়ি পিন্ধিছে চোঁয়া, পিন্ধার স্টাইলও Unique। এই কলেজর টিচার চাগে।' এই বলে সে আলাপ করতে গেল। আলাপ শেষে, বন্ধুটি ফিরে এসে বলল 'তেওঁর নাম কুমকুম চক্রবর্তী'।

তারপর তো গত সাতাশ বছর ধরে একসঙ্গে কর্মজীবন কাটানো। সুখে দুঃখে নানান মজার মুহূর্তে কেটে গেল এতগুলো বছর। শুধু যাবার আগে এটুকু বলবো, তোমার মতো সহকর্মী পাওয়া সত্যিই খুব বড় বিষয়। সত্যি কুমকুমদি তোমার সেই অমূল্য সাহচর্য ভীষণ মিস কৰব আমি।

তোমার আমাকে কাজের সময় সাহস যোগানো, উৎসাহ যোগানো, সমালোচনা করা সব সব স্মৃতিগুলো এ মুহূর্তে ভিড় করে আসছে আমার মনে! এত স্মৃতি রয়েছে যে কোন মুহূর্তটি প্রকাশ করবো! .... কর্তব্যের প্রতি তোমার নিষ্ঠা সত্যিই প্রশংসনীয়। যে কোন কাজ খুব সুন্দর সুচারু ভাবে সম্পন্ন করা তোমার চারিত্রিক বৈশিষ্ঠ্য। সেটাই আমাকে মুগ্ধ করে। এক সাথে কর্ম সম্পাদন করতে গিয়ে কখানো মতের অমিল হয়েছে, যদি কখনো অসন্তুষ্টি প্রকাশ করে থাকি, তবে ক্ষমা প্রার্থনীয়।

শেষে কবির ভাষায় বলছি —

'ক্ষমা করো, ধৈর্য ধরো, / হউক সুন্দরতর / হবিদায়ের ক্ষণ।
মৃত্যু নয় ধ্বংস নয় / নহে বিচ্ছেদের ভয়- / শুধু সমাপন / শুধু সুখ হতে স্মৃতি,
শুধু ব্যথা হতে গীতি,/ তরী হতে তীর।
খেলা হতে খেলা শ্রান্তি/ বাসনা হইতে শান্তি/ নভ হতে নীড়।'

## How I know Kumkum Baidew

– Kalyani Das.
Deptt. of Sanskrit

It was 1st August of 1998 , when I joined DHSK college as a lecturer of Sanskrit, then I had the priviledged to meet Kumkum Baidew for the first time along with other lecturers of the college. She had been serving as a lecturer of Bengali Department at DHSK college. Her soft spoken personality attracted me a lot during the college hours. When I started to stay in working women hostel at Khaliamari from the month of September 1998, I met Kumkum Baidew as a boarder of the same hostel . Though at the beginning , we did not talk much but days later, she became my friend. I observed that she did every work in a disciplined manner. Later I became her room-mate in the same hostel . We used to discuss a lot of topics on different issues on those days during our leisure time .She always had a positive outlook of everything. I used to treat her like a philosopher and guide in my life.

In 2004 after getting married, I shifted to rented house in Chowkidinghee ,then also we maintained a good friendship with each other. Today, after working together for 24 years, at this moment, my pen struck down what to write ! There is a saying that when your heart is full of emotions ,the words are a few to express. She always bears a helping hand to the people. Even when my father was expired on March 2018, Kumkum Baidew and Chandana Baidew rushed to my residence in Guwahati to offer their condolences to my family. In 2019, We together were entrusted to conduct Higher Secondary Examination. She had good administrative skills which helped us to conduct the duty smoothly and efficiently. She is too much dedicated in teaching to the students with outmost care and love.

In May 2019, when I went to Coimbatore for my husband's operation, she willingly tayed with my daughter during that critical moment and helped a lot in house hold affairs. I will always be grateful towards her for this co-operation. I also tried my level best to help her at different time.

In the year 2020, unfortunately, she lost two of her family members Dada-bhai and brother. This incident have changed her life a lot . At the end, I confer my best wishes for completion of successful journey of her service life as well as for her future . May God bless her and her family with good health and prosperity.



# My Gratitude to Kumkum Ma'am : A Few Words

*– Bhuban Jyoti Baruah*
From Employee's Desk

In my 24 years of service life as an Office Assistant in this college, I have the opportunity to meet a number of lady professors in the college, who are smart, intelligent and wonderful in person. But kumkum ma'am was an exception.

Really, she has some outstanding personality which I can not express in a few words. Her honesty, supportive nature, gentle behavior always attracts me. In my personal view, Kumkum ma'am is not a human being only, but a symbol of self confidence, great humanity and dedication also. Her voice is so lovely & sweet, like the "SWEETS" she gave us after returning from 'Kolkata' for last few years. I am worried, but not for losing such a "SWEETS" but for losing a sweet & lovely voice of respected Kumkum ma'am in coming days. But hope, we will see her in the college premises in some special activities, functions or events to be organized by the college in coming days.

Kumkum ma'am was a member of KKHSOU Management Committee of DHSK College Study Centre for a period of two years. Besides attending in the KKHSOU Management Committee's meetings only, she visited the study centre's office regularly and advised us to make policies to increase the numbers of enrolment, to run the academic and official matters smoothly so that the learners could benefited at large. She tried to convey the messages of benefit of distance learning among the people and became able to enroll some students in our study centre.

Ma'am will retire from service on 31st July/2022. On her retirement after providing more than 28 years of successful service, I express my heartiest gratitude to Kumkum Ma'am. And wish, by bless of God, she will able to enjoy a happy retirement life with her family members, close relatives and such others.




REDMI NOTE 6 PRO






DIBRUGARH H.S KANOI COLLEGE


REDMI NOTE 6 PRO


HAPPY
TEACHERS
DAY




















## *LIVILENCE Editorial Team*

গতিশীল সময়ে জীৱনলৈ লৈ আহে ভিন্নৰঙী ৰঙৰ সমাহাৰ। পোৱা-নোপোৱা, সুখ-দুখেৰে মিশ্ৰিত জীৱনৰ মাজতে আমাৰ সম্পৰ্কবোৰ গঢ় লৈ উঠে মৰম, স্নেহ, শ্ৰদ্ধা, আন্তৰিকতাৰে। ১৯৯৩ চনৰ ১০ মাৰ্চত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ এগৰাকী সদস্য হিচাপে সুদীৰ্ঘ সময়ছোৱাত জ্ঞান আৰু প্ৰজ্ঞাৰে সেৱা আগবঢ়াই অহা বাংলা বিভাগৰ কুমকুম চক্ৰৱৰ্তী বাইদেউৰ সান্নিধ্য আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। পাহৰিব নোৱাৰোঁ বাইদেউৰ দায়িত্বশীল, মাৰ্জিত আৰু মৰমীয়াল ব্যৱহাৰ। সকলোৰে প্ৰতি সমভাবাপন্ন ব্যৱহাৰ আমি কেনেকৈ পাহৰিম। সঁচা অৰ্থত বাইদেউ আছিল এগৰাকী সফল শিক্ষক। আজি অৱসৰৰ মুহূৰ্তত কামনা কৰিছোঁ বাইদেউৰ অনাগত দিনবোৰ সুখ, শান্তি আৰু সু-স্বাস্থ্যৰে অতিবাহিত হওক। কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ বাবে বাইদেউৰ কাৰ্যকালৰ সময়খিনি, বাইদেউৰ সান্নিধ্য এক মিঠা সোঁৱৰণি হৈ ৰ'ব। 'Livilance'ৰ মাজত সেই সান্নিধ্যকে সুঁৱৰিব বিচাৰিছোঁ।

'Livilance'-লৈ অনুভৱ প্ৰেৰণ কৰা প্ৰতিগৰাকী সদস্যলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। সম্পাদনাত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

সম্পাদনা সমিতিৰ হৈ —

ড° প্ৰিয়দেৱ গোস্বামী
ড° তৃষ্ণা দুৱৰা
অঞ্জুমণি ফুকন

দিনাংক ঃ ২৯-০৭-২০২২